# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-11-2023
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

Headlines

১। অহা বৰ্ষৰ প্ৰথম ভাগত ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে অহা ১ ডিচেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ।

২। অসম চৰকাৰৰ কৃষি বিভাগৰ উদ্যোগত অহা ১৬ ডিচেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অষ্টম অসম আন্তঃৰাষ্ট্ৰীয় কৃষি উদ্যান শস্য মেলা ২০২৩ আৰম্ভ।

৩। অসম চৰকাৰৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত ৰাজ্যজুৰি স্বাস্থ্য সেৱা উৎসৱ-২ আৰম্ভ।

*আৰু*

৪। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে সমাগত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দলৰ সদস্যসকলৰ নাম ঘোষণা।

০০০০০০০

০০০০০০০

অসমত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত অহা বৰ্ষৰ প্ৰথম ভাগত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনকলৈ নিৰ্বাচন আয়োগে বিশেষ ৰোড মেপ প্ৰস্তুত কৰিছে। ইয়াৰ আগেয়ে দুবাৰকৈ নিৰ্বাচন আয়োগৰ দল অসমলৈ আহি সমষ্টি নিৰ্ধাৰণৰ পাছত ১৪টা সমষ্টিৰ সীমাৰেখা পৰ্যৱেক্ষণ কৰাৰ লগতে ভোটগ্ৰহণ কেন্দ্ৰ বৃদ্ধি, সমষ্টিৰ সীমা, ইলেক্ট্ৰনিক ভোটিং মেচিন, নতুনকৈ ফটো ভোটাৰ তালিকা কেনেদৰে প্ৰস্তুত কৰিব লাগে সেই সন্দৰ্ভত ৰাজ্যিক নিৰ্বাচন বিষয়াক বিশেষ নিৰ্দেশনা প্ৰদান কৰিছে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ ১ ডিচেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ পাব। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত প্ৰকাশ পাবলগীয়া খচৰা ভোটাৰ তালিকাত প্ৰতিজন ভোটাৰৰ বিপৰীতে যাতে ফটো থাকে সেই দিশত বিশেষ গুৰুত্ব দিবলৈ ৰাজ্যিক নিৰ্বাচনী বিষয়াক নিৰ্দেশনা প্ৰদান কৰা হৈছে।

০০০০০০০

ভাৰতীয় নিৰ্বাচন আয়োগে দেশৰ যোগ্য নাগৰিকসকলক বিশেষ সংক্ষিপ্ত সংশোধিত ভোটাৰ তালিকা ২০২৪ত নিজৰ নাম তথা সবিশেষ শুদ্ধভাৱে লিপিবদ্ধ কৰিবলৈ আহ্বান জনাইছে। এই প্ৰক্ৰিয়া অহা ৯ ডিচেম্বৰলৈ চলিব। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত আয়োগে প্ৰকাশ কৰে যে, এই তালিকাৰ অধীনত নাগৰিকসকলে তেওঁলোকৰ ভোটাৰ পৰিচয়পত্ৰৰ সবিশেষ লিপিবদ্ধ কৰাৰ লগতে সংশোধন কৰিব পাৰিব। তদুপৰি তেওঁলোকে ঠিকনাৰো সাল সলনি কৰিব পাৰিব।

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটাৰ তালিকাৰ সংশোধনী গুৰুত্বপূৰ্ণ হৈ উঠিছে। যুৱ চামৰ অন্তৰ্ভুক্তিৰ ওপৰত বিশেষ গুৰুত্বসহ এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাই হৈছে ইয়াৰ উদ্দেশ্য। অহা

পহিলা জানুৱাৰীৰ পূৰ্বে ১৮ বছৰ সম্পূৰ্ণ হবলগীয়া যুৱক-যুৱতীয়ে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে আবেদন জনাব পাৰিব। সমাগত লোকসভা নিৰ্বাচনৰ পূৰ্বে যুৱ ভোটদাতাৰ বাবে এয়া এটা গুৰুত্বপূৰ্ণ সুযোগ হিচাপে বিবেচিত হৈছে। অহা ২৬ ডিচেম্বৰৰ পূৰ্বে আয়োগে ওজৰ আপত্তিসমূহ নিস্পত্তি কৰিব। চূড়ান্ত ভোটাৰ তালিকা অহা ৫ জানুৱাৰীত প্ৰকাশ পাব। নাগালেণ্ডত অহা ১০ জানুৱাৰীত ভোটাৰ তালিকা প্ৰকাশ পাব। উল্লেখযোগ্য যে, ভাৰতৰ নিৰ্বাচন আয়োগে প্ৰতিবছৰে উপযুক্ত নাগৰিকসকলক ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে প্ৰতি ত্ৰিমাসিকত সংক্ষিপ্ত ভোটাৰ তালিকাৰ সংশোধন কৰে।

০০০০০০০

পৰ্যটন মন্ত্ৰালয়ে উত্তৰ-পূৰ্বাঞ্চলত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে আজিৰে পৰা শ্বিলঙত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত কৰিব। এই মেলা পৰ্যটন মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে মুকলি কৰিব। অনুষ্ঠানত উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ পৰ্যটন মন্ত্ৰীসকল উপস্থিত থাকিব। তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই পৰ্যটন মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন পৰ্যটন সংস্থাৰ প্ৰতিনিধিসকলক দেশৰ বিভিন্ন প্ৰান্তৰ আৰু বিদেশৰো প্ৰতিনিধিৰ সৈতে মত বিনিময়ৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। পৰ্যটন মন্ত্ৰালয়ে প্ৰতি বছৰে উত্তৰ-পূৰ্বাঞ্চলৰ যিকোনো এখন ৰাজ্যত এই কাৰ্যসূচীৰ আয়োজন কৰি আহিছে। নিম্ন কাৰ্বন নিৰ্গমনৰ নীতি গ্ৰহণ কৰি পৰিকল্পনা কৰা এই কাৰ্যসূচীত সেউজ বা পৰিৱেশ অনুকূল কাৰ্যসূচী হিচাপেও গণ্য কৰা হৈছে। পৰিৱেশ মন্ত্ৰালয়ৰ মিছন লাইফ অভিযানৰ ৰূপায়ণৰ বাবে গ্ৰহণ কৰা কৰ্মসূচীৰ দফা অনুসৰি এই অনুষ্ঠান আয়োজন কৰাৰ পৰিকল্পনা কৰা হৈছে। এই অনুসৰি অনুষ্ঠানত এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক সম্পূৰ্ণৰূপে পৰিহাৰ কৰাৰ লগতে সমগ্ৰ ব্যৱস্থাক ডিজিটীয় আৰু কাগজবিহীন কৰি তোলা হ'ব। পৰ্যটন মেলাত উত্তৰ-পূবৰ আঠোখন ৰাজ্যই পৰ্যটন ক্ষেত্ৰৰ নতুন সম্ভাৱনা আৰু নকৈ বিকশিত পৰ্যটন স্থানসমূহৰ বিষয়ে প্ৰকাশ কৰাৰ সুযোগ পাব। চৰকাৰী আৰু ব্যক্তিগতখণ্ডৰ বিশেষজ্ঞসকলে অঞ্চলটোত যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সম্পৰ্কে ব্যাখ্যা কৰিব। উল্লেখযোগ্য যে উত্তৰ-পূৰ্বাঞ্চলত বিগত কেইটামান বছৰত বিমান যোগাযোগৰ ক্ষেত্ৰত উন্নতি পৰিলক্ষিত হৈছে। সম্প্ৰতি অঞ্চলটোত ১৬টা বিমান বন্দৰৰ পৰা বিমান উৰণৰ সুবিধা আছে।

০০০০০০০

অসম চৰকাৰৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত কালিৰে পৰা ৰাজ্যজুৰি স্বাস্থ্য সেৱা উৎসৱ-২ আৰম্ভ হৈছে। তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা এই স্বাস্থ্য সেৱা উৎসৱ অহা ২২ নৱেম্বৰত সামৰণি পৰিব। উল্লেখযোগ্য যে এই স্বাস্থ্য সেৱা উৎসৱৰ লক্ষ্য হৈছে সামগ্ৰিকভাৱে ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি উন্নীতকৰণ কৰাৰ লগতে জনসাধাৰণক গুণগত মানৰ স্বাস্থ্য সেৱা সুনিশ্চিত কৰা। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তৰ নিৰ্দেশনাত ৰাজ্যত ইতিমধ্যে যোৱা এপ্ৰিল মাহত স্বাস্থ্য সেৱা উৎসৱ-১ সফলতাৰে সম্পন্ন কৰা হৈছিল। এই স্বাস্থ্য সেৱাই ৰাজ্যৰ এহেজাৰ ২৬১খন স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি লৈছে। চলিত মাহত স্বাস্থ্য সেৱা উৎসৱ-২য়ে ১৫খন মহকুমা অসামৰিক চিকিৎসালয়ক সামৰি লৈছে। উল্লেখযোগ্য যে চাৰিটা পৰ্যায়ত অন্তৰ্ভুক্ত কৰা এই অভিযানত স্বাস্থ্য সেৱা-১ত ২২খন জিলা চিকিৎসালয়ক সামৰি লোৱা হৈছিল।

আনহাতে, স্বাস্থ্য সেৱা-৩ত ২১৩খন সামূহিক স্বাস্থ্য কেন্দ্ৰক সামৰি লোৱাৰ লগতে স্বাস্থ্য সেৱা-৪ত এহেজাৰ ১১খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰক সামৰি লোৱা হ'ব।

কামৰূপ মহানগৰ জিলাতো আয়োজন কৰা স্বাস্থ্য সেৱা উৎসৱৰ সৈতে সংগতি ৰাখি আজি দ্বিতীয় দিনৰ বাবে বহিঃমূল্যায়কে কামৰূপ মহানগৰ জিলাৰ কেইবাখনো স্বাস্থ্য কেন্দ্ৰ পৰ্যবেক্ষণ কৰিব। তথ্য অনুসৰি বহিঃমূল্যায়কে আজি ফেৰিঘাট, আমিনগাঁও নগৰীয়া স্বাস্থ্য কেন্দ্ৰ, গাড়ীগাঁও ৰাজ্যিক ডিচপেনচাৰী, গড়পাণ্ডু নগৰীয়া স্বাস্থ্য কেন্দ্ৰ, পাণ্ডু, ধীৰেনপাৰা এফ আৰ ইউ, বিধানসভা স্বাস্থ্য কেন্দ্ৰ, হেঙেৰাবাৰী, জনতাভৱন স্বাস্থ্য গোট, খানাপাৰা ৰাজ্যিক ডিচপেনচাৰী আদি পৰ্যবেক্ষণ কৰিব। মাজুলী জিলা ৰঙাচাহী ৰাজ্যিক চিকিৎসালয়েতো জিলা সমাজ কল্যাণ বিষয়াৰ উপস্থিতিত স্বাস্থ্য সেৱা উৎসৱ-২ অনুষ্ঠিত হয়।

০০০০০০০

অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীয়ুষ হাজৰিকাই কালি থাউৰা বিধানসভা সমষ্টিৰ পানীদিহিং গাঁওপঞ্চায়তৰ অন্তৰ্গত ককিলামাৰীত ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে ৮ কোটি টকীয়া বান্ধ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। খহনীয়া প্ৰতিৰোধ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি পীয়ুষ হাজৰিকাই ভাৰতীয় জনতা পাৰ্টীৰ নিতাই-পানীদিহিং মণ্ডলে কোকিলামাৰী শনিবৰীয়া বজাৰ গৃহত আয়োজন কৰা এখন সভাত উপস্থিত থাকে। মন্ত্ৰী হাজৰিকাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰে নিবনুৱা শিক্ষিত যুৱক-যুৱতীক চাকৰি দিয়া, আত্মসহায়ক গোটক ঋণ দিয়া, অৰুণোদয় আঁচনি, বাট-পথৰ পকীকৰণ আদিকে ধৰি চৰকাৰী বিভিন্ন আঁচনিৰ বিষয়ে তেওঁ উল্লেখ কৰে।

০০০০০০০

তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আজিৰে পৰা ২৩ নৱেম্বৰলৈ মৰিগাঁৱত সদৌ অসম ছাত্ৰ সন্থাৰ অষ্টাদশ সাধাৰণ অধিৱেশন অনুষ্ঠিত হ'ব। সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থা, মৰিগাঁও সদৰ ছাত্ৰ সন্থা আৰু মৰিগাঁওবাসীৰ আতিথ্যত মৰিগাঁৱত অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ হাজাৰ হাজাৰ প্ৰতিনিধি তথা অতিথিয়ে অংশ গ্ৰহণ কৰিব। অষ্টাদশ সাধাৰণ অধিৱেশনৰ অভ্যৰ্থনা সমিতি, ২৭খনকৈ উপ-সমিতিয়ে অতিথিসকলক আদৰিবলৈ ইতিমধ্যে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। উল্লেখযোগ্য যে এই অধিৱেশনতে ছাত্ৰ সন্থাৰ দুলীয়াজানত অনুষ্ঠিত সপ্তদশ অধিৱেশনত লোৱা সংবিধান সংশোধনীসমূহ কাৰ্যকৰী কৰা হ'ব। সন্থাই জনোৱা অনুসৰি দুলীয়াজান অধিৱেশনত ছাত্ৰ সন্থাৰ সদস্যৰ বয়সকে ধৰি সংবিধানৰ ভালেকেইটা সংশোধনী গৃহীত কৰা হৈছিল।

০০০০০০০

বিগত বছৰৰ দৰে এইবেলিও বৰ্ণাঢ্য কাৰ্যসূচীৰে হাউলিত আয়োজন কৰা হৈছে ৰাস মহোৎসৱ। অহা ২৬ নৱেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ ১৫ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া ৰাস মহোৎসৱৰ ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। মহোৎসৱৰ লগত সংগতি ৰাখি কালি ৰাস মহোৎসৱ উদযাপন সমিতিয়ে এখন সংবাদমেলৰ আয়োজন কৰে। এই সংবাদ মেলতে ৰাস উদযাপনৰ প্ৰস্তুতিৰ অগ্ৰগতি সম্পৰ্কে সাংবাদিকক অৱগত কৰায়। উদযাপন সমিতিৰ সাধাৰণ সম্পাদক উৎপল নাথে প্ৰকাশ কৰা মতে এই বছৰৰ মহোৎসৱখন পৰিচালনা কৰাৰ বাবে এখন মূল সমিতিৰ উপৰি ১৬খন উপ-সমিতি গঠন কৰা হৈছে। ৯৬ সংখ্যক এই ৰাস

মহোৎসৱখন উদযাপন কৰাৰ বাবে এইবাৰ মুঠ এক কোটি ৫০ লাখ টকা ব্যয় কৰা হ'ব বুলি উদযাপন সমিতিয়ে প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যখনত পথ দুৰ্ঘটনা ৰোধৰ লগতে যান-বাহন আইন মানি চলাৰ ক্ষেত্ৰত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে পৰিবহণ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই বিগত তিনিদিনৰ পৰা মটৰ চাইকেল শোভাযাত্ৰা অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ জৰিয়তে বিভিন্ন ঠাইত উপস্থিত হৈ এই সম্পৰ্কে বিভিন্ন সজাগতা সভাত অংশগ্ৰহণ কৰিছে। গুৱাহাটীৰ পৰা আৰম্ভ হোৱা মটৰ চাইকেল যাত্ৰাৰ জৰিয়তে মন্ত্ৰীগৰাকীয়ে কালি নিশা গোৱালপাৰা জিলাত উপস্থিত হৈ দুধনৈ আৰু শ'লমাৰী কল্যাণপুৰত দুখনকৈ সজাগতামূলক সভাত অংশগ্ৰহণ কৰে। তেওঁ আজি জিলা আয়ুক্ত কাৰ্যালয়ত এখন সভাত অংশগ্ৰহণ কৰি গোৱালপাৰা পশ্চিম আৰু জলেশ্বৰ সমষ্টি ভ্ৰমণ কৰি অন্য জিলালৈ যাত্ৰা কৰিব।

০০০০০০০

৫৪ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ কালিৰে পৰা গোৱাত আৰম্ভ হৈছে। শ্যামাপ্ৰসাদ মুখাৰ্জী ইন্দোৰ ষ্টেডিয়ামত কালি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰে। ব্ৰিটিছ চলচ্চিত্ৰ কেটচিং ডাষ্টৰ প্ৰদৰ্শনৰে মহোৎসৱ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰী শ্ৰীঠাকুৰে ভাৰতীয় সংবাদ মাধ্যম আৰু মনোৰঞ্জন উদ্যোগে বছৰি ২০ শতাংশ হাৰত বিকাশ লাভ কৰিছে বুলি মন্তব্য কৰে। তেওঁ লগতে এই উদ্যোগটো বিশ্বৰ পঞ্চম বৃহৎ উদ্যোগ হিচাপে পৰিগণিত হোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে, এইবাৰ এই চলচ্চিত্ৰ মহোৎসৱত ১৩খন ৱৰ্ল্ড প্ৰিমিয়াৰ, ১৮খন আন্তৰ্ৰাষ্ট্ৰীয় প্ৰিমিয়াৰ, ৬২খন এছিয়া প্ৰিমিয়াৰ আৰু ৮৯ খন ভাৰতবৰ্ষত প্ৰিমিয়াৰ হোৱা চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। এইবাৰৰ পৰা এই মহোৎসৱত অ টি টি বঁটা প্ৰদান কৰা হৈছে বুলিও তেওঁ কয়। অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী এল মুৰুগান আৰু গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ শাৱন্তো উপস্থিত আছিল। মহোৎসৱৰ উদ্বোধনি অনুষ্ঠানত কালি দেশ-বিদেশৰ ভালেকেইগৰাকী প্ৰতিষ্ঠিত শিল্পী-কলা-কুশলী উপস্থিত থাকে। এই মহোৎসৱৰ অহা ২৮ নৱেম্বৰত সামৰণি পৰিব।

০০০০০০০

অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে সমাগত টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাত সূৰ্যকুমাৰ যাদৱে ভাৰতীয় দলৰ নেতৃত্বৰ ভাৰ বহন কৰিব। শৃংখলাৰ প্ৰথমখন খেল বিশাখাপট্টনমত পৰহি খেলোৱা হ'ব। পাঁচখনীয়া এই শৃংখলাৰ প্ৰথম তিনিখন খেলত ঋতুৰাজ গাইকোৱাড়ক দলৰ সহ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। শৃংখলাৰ বাকী দুখন খেলত শ্ৰেয়ছ আয়াৰে সহ অধিনায়কৰ দায়িত্ব পালন কৰিব।

সদ্যসমাপ্ত আই চি চি এদিনীয়া বিশ্বকাপ প্ৰতিযোগিতাৰ পাছত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে কৰা ঘোষণা অনুসৰি ৰোহিত শৰ্মা, বিৰাট কোহলী, মহম্মদ ছামী, যশপ্ৰিত বুমৰাহৰ লেখীয়া দলৰ জ্যেষ্ঠ খেলুৱৈসকলক অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে আসন্ন শৃংখলাটোত বিশ্ৰাম দিয়া হৈছে।

শৃংখলাৰ বাবে ঘোষিত পোন্ধৰজনীয়া দলটোৰ সদস্যসকল হ'ল – সূৰ্যকুমাৰ যাদৱ, ঋতুৰাজ গাইকোৱাড়, ঈশান কিষণ, যশস্বী জয়ছোৱাল, তিলক বাৰ্মা, ৰিংকু সিং, জিতেশ শৰ্মা, ৱাশ্বিংটন সুন্দৰ, অক্ষৰ পেটেল, শিৱম ডুবে, ৰবি বিষ্ণুই, অৰ্শদ্বীপ সিং, প্ৰসিধ কৃষ্ণা, আৱেশ খান আৰু মুকেশ কুমাৰ।

০০০০০০০

**NEWSPAPER REVIEW (21-11-2023) RNU**

বিগত ছেপ্টেম্বৰ মাহত ঘোষিত অসম মাধ্যমিক শিক্ষা (প্ৰাদেশীকৃত শিক্ষানুষ্ঠান) সেৱা (সংশোধনী) নিয়মাৱলী–২০২৩ক প্ৰত্যাহ্বান জনাই ২৪ গৰাকী উচ্চতৰ মাধ্যমিক টেট উত্তীৰ্ণ স্নাতকোত্তৰ প্ৰাৰ্থীয়ে উচ্চ ন্যায়ালয়ৰ কাষ চপাৰ পাছতেই ন্যায়ালয়ে এই সন্দৰ্ভত ৰাজ্য চৰকাৰ আৰু শিক্ষা বিভাগক কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিশ্বকাপৰ ফাইনেলত ভাৰতৰ পৰাজয়ৰ দুখ সহিব নোৱাৰি গুৱাহাটীত এগৰাকী যুৱকে মৃত্যুক সাৱটি লোৱাৰ বাতৰিক **দৈনিক জনমভূমি** কে প্ৰমুখ্য কৰি প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰৰ কেইবাটাও বিদ্ৰোহী সংগঠনৰ সন্মিলিত বাহিনীৰ বিদ্ৰোহৰ ফলত দেশখনত উদ্ভৱ হোৱা পৰিস্থিতিৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজিৰে মৰিগাঁৱত হ 'বলগীয়া সদৌ অসম ছাত্ৰ সন্থাৰ অষ্টাদশ সাধাৰণ অধিৱেশনৰ বাতৰিক **আমাৰ অসম** কাকতে ***আজিৰে পৰা আছু অধিৱেশন*** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে আন বহুকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিগত প্ৰায় ৯ দিন ধৰি উত্তৰাখণ্ডৰ চিল্কয়াৰা সুৰংগত আবদ্ধ হৈ থকা ৪০ গৰাকীকৈ শ্ৰমিকৰ উদ্ধাৰ অভিযান অব্যাহত থকাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বহুচৰ্চিত বিশাখাপট্টনম চোৰাংচোৱা গোচৰৰ সৈতে জড়িত থকাৰ অভিযোগত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই হোজাইৰ এজন যুৱকক মুম্বাইত গ্ৰেপ্তাৰ কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পৰা বৰ্তমানলৈকে দেশৰ ৫ খন ৰাজ্য ক্ৰমে তেলেংগনা, ৰাজস্থান, ছত্তীশগড়, মিজোৰাম আৰু মধ্য প্ৰদেশত প্ৰায় ১৭৬০ কোটিৰ সুৰা , নগদ ধন জব্দ হোৱা বুলি ভাৰতীয় নিৰ্বাচন আয়োগে প্ৰকাশ কৰাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

৩০ নৱেম্বৰ আৰু ১ ডিচেম্বৰত ডিব্ৰগড়ত ৰাজ্যৰ ১৫ টা বিৰোধী দলে বিৰোধী ঐক্যমঞ্চৰ বৈঠক আয়োজন কৰাৰ বাতৰিক ***উজনিৰ পৰা বিৰোধীয়ে বজাব ২৪ৰ ৰণডংকা*** শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চুবুৰীয়া ৰাজ্য মণিপুৰত সংঘটিত হিংসাত্মক ঘটনাত পুনৰ দুগৰাকী লোক নিহত হোৱাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে- **শদিয়াৰ পৰা ধুবুৰীলৈ ৰাসোৎসৱৰ প্ৰস্তুতি , পুনৰ বন্ধ হ 'ল ৰূপসীৰ পৰা বিমানসেৱা, গুৱাহাটী মহানগৰীত পুনৰ চিলনী চোৰৰ উপদ্ৰৱ , মহানগৰীত ব্ৰাউন চুগাৰসহ গ্ৰেপ্তাৰ ক 'ষ্টাৰিকাৰ ছাত্ৰ, অসম চৰকাৰ আৰু ভাৰতীয় সেনাৰ উদ্যোগত দীপৰ বিলত ৰাইজিং ৱাটাৰ ফেষ্টিভেলৰ সামৰণি** আদি।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**